# অধ্যায় ১০ ঃ জ্যোতিপ্ৰসাদ আগৰৱালা ঃ *ৰূপালীম*

## অধ্যায় গাঁথনি


১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ *ৰূপালীম*

  ১০.৩.১ নাটকখনৰ কাহিনীভাগ

  ১০.৩.২ নাটকখনৰ চৰিত্ৰসৃষ্টি

  ১০.৩.৩ নাটকখনৰ সংলাপ

১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৫ অধিক জানিবলৈ

১০.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১০.৭ আৰ্হি প্ৰশ্ন


## ১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জ্যোতিপ্ৰসাদ আগৰৱালাৰ *ৰূপালীম* নাটকখনৰ বিষয়বস্তু, চৰিত্ৰ চিত্ৰণ, সংলাপ, কাব্যধৰ্মিতা আদি বৈশিষ্ট্যৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব
- *ৰূপালীম* নাটকত মেটাৰলিঙ্কৰ *মোন্নাভান্না* নাটকৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিব
- *ৰূপালীম* নাটকখনৰ নাট্যকৌশল সম্পৰ্কে সম্যক ধাৰণা এটা কৰিব পাৰিব।

## ১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন দৰ্শন, নাট্য-চিন্তা, নাটকৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে অধ্যয়ন কৰিলে। এই অধ্যায়টোত আমি এইগৰাকী প্ৰতিভাশালী নাট্যকাৰৰে ৰচনা কৰা *ৰূপালীম* নাটকখনৰ বিষয়ে বহলাই আলোচনা কৰিম।

*ৰূপালীম* জ্যোতিপ্ৰসাদে ৰচনা কৰা নাটকসমূহৰ ভিতৰত এখন উল্লেখযোগ্য নাটক। নাটকখনত অৱশ্যে মেটাৰলিঙ্ক নামৰ নাট্যকাৰজনে ৰচনা কৰা *মোন্নাভান্না* নামৰ নাটকখনৰ ছাঁ পৰো-নপৰোকৈ পৰিছে বুলি নাট্যকাৰগৰাকীয়ে নাটকখনৰ পাতনিতে উল্লেখ কৰি গৈছে। তথাপিতো এটা কথা ঠিক যে এই প্ৰভাৱ চেৰাই গৈ নাটকখনৰ মাজেদি জ্যোতিপ্ৰসাদে তেওঁৰ শিল্পীমনৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। এই অধ্যায়টিত নাটকখনৰ লগত সম্পৰ্কিত প্ৰতিটো দিশৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

## ১০.৩ *ৰূপালীম*

অতি কম সংখ্যক নাটক ৰচনাৰে নাট্য-জগতত আলোড়নৰ সৃষ্টি কৰা নাট্যকাৰসকলৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালা অন্যতম। *শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী* আদিৰ দৰে তেওঁৰ তৃতীয়খন নাটক *ৰূপালীমে*ও সাহিত্য জগতত তোলপাৰ লগাইছিল। জ্যোতিপ্ৰসাদৰ আটাইকেইখন পূৰ্ণাঙ্গ নাটকৰ ভিতৰত শিল্প সাধনাত *ৰূপালীম* অন্যতম। ১৯৩৬ চনত ৰচিত *ৰূপালীম* নাটকৰ প্ৰকাশৰ সময় ১৯৬০। তলত নাটকখনৰ বিভিন্ন দিশ সম্পৰ্কে চমুকৈ আলোচনা কাৰ হ'ল।

### ১০.৩.১ নাটকখনৰ কাহিনীভাগ


*ৰূপালীম* নাটকৰ কাহিনীভাগ কল্পনাপ্ৰসূত যদিও অতি সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। সাতটা অংকত বিভক্ত নাটকখনৰ মাজেৰে নাটকখনৰ নায়িকা ৰূপালীমৰ প্ৰণয়ৰ কৰুণ অৱস্থা আৰু পৰিশেষত ভয়াবহ মৃত্যুৰ কথা দাঙি ধৰিছে। ভাৰতৰ পূব সীমান্তৰ ৰূক্মী জনজাতিৰ কাল্পনিক সমাজ এখনৰ পটভূমিত *ৰূপালীম* নাটকৰ কাহিনীভাগ গঢ় লৈ উঠিছে। ৰূক্মী জনজাতিৰ এহাল ডেকা-গাভৰু — ৰূপালীম আৰু মায়াব' ইজনে সিজনক প্ৰাণভৰি ভাল পায়। ৰূপালীমৰ বুঢ়া আপু জুনাফাৰ মনৰ অহমিকা ভাব প্ৰকাশেৰে *ৰূপালীম* নাটকখনৰ কাহিনীৰ বীজ ৰোপণ কৰা হৈছে। ৰূপালীমৰ আপুৱে এটা চৰ্ত ৰাখিলে যে মায়াব'ই যদি ৰূপালীমক বিয়া কৰাব খোজে তেন্তে এটা বাঘৰ মূৰ চিকাৰ কৰি আনি দিব লাগিব। ৰূপালীমৰ প্ৰতি থকা সুগভীৰ ভালপোৱাৰ বাবে মায়াব' এই প্ৰস্তাৱিত মান্তি হ'ল। মায়াব'ই বাঘৰ মূৰ এটা চিকাৰ কৰি আনি জুনাফাৰ চোতালত পেলাই দিয়াৰ লগে লগেই তাত উপস্থিত হ'ল প্ৰান্তদেশৰ অধিপতি মণিমুগ্ধ কোঁৱৰৰ সেনাপতি ৰেণথিয়াং। বাঘৰ কটা মূৰটো লৈয়েই মায়াব' আৰু ৰেণথিয়াঙৰ মাজত সংঘৰ্ষ আৰম্ভ হ'ল। ৰেণথিয়াঙে সৈন্যবলৰ সহায়ত মায়াব' আৰু জুনাফাক আহত কৰে। এই সময়তে প্ৰান্ত দেশৰ অধিপতি মণিমুগ্ধ কোঁৱৰে তাত উপস্থিত হৈ ৰূপালীমক দেখি বিমোহিত হৈ পৰে আৰু ক্ষমতাৰ বলেৰে তাইক নিজ কাৰেঙলৈ লৈ যায়। মণিমুগ্ধৰ এনে কাৰ্যত উপায়ান্তৰ হৈ জুনাফা আৰু মায়াব'ই ৰূক্মী ৰজাৰ ওচৰত মণিমুগ্ধৰ বিৰুদ্ধে গোচৰ তৰেগৈ। কিন্তু দুৰ্বল ৰূক্মী ৰজাই সুবাৰ ৰাগিত মতলীয়া হৈ থাকি মণিমুগ্ধক জোকাই ল'বলৈ ইচ্ছা প্ৰকাশ নকৰিলে। কিন্তু ৰূক্মী ৰজাৰ ভনীয়েক ইতিভেনে স্বদেশ আৰু স্বজাতিৰ মঙ্গলৰ কাৰণে দুৰ্বল ৰজাৰ অকৰ্মণ্যতাক ধিক্কাৰ দি সসৈন্যে বীৰদৰ্পে সাজি-কাচি ওলাল। ইতিভেনে মণিমুগ্ধৰ ৰাজহাউলী আক্ৰমণ কৰে। এই সুযোগতে মায়াব' আৰু ৰূপালীম পলাই যায়। কিন্তু ইতিভেন মণিমুগ্ধৰ সৈন্যৰ হাতত বন্দী হয়।

এই ঘটনাংশ কিছু মন্থৰ যেন লাগিলেও ৰূকমী ৰজাৰ ভয়াৰ্ত অৱস্থা, ৰিমুৰ পৰিচৰ্যা, বন্দিনী ইতিভেন, মায়াব' আৰু ৰূপালীমৰ পলায়নৰ মাজেৰে দুখৰ মাজতো

কিছু সুখৰ ৰেঙণি বিয়পাই দিয়ে। কিন্তু ইয়াৰ পাছত মণিমুগ্ধৰ সেনাপতি ৰেণথিয়াঙৰ হাতত দুয়ো ধৰা পৰা কাৰ্যই পুনৰ ঘটনাৰ সোঁত অন্যফালে বোৱাই নিলে। ৰূপালীমক ধৰি আনি পুনৰ মণিমুগ্ধৰ হাতত অৰ্পণ কৰাৰ উদ্দেশ্যে মণিমুগ্ধৰ শয়নকক্ষলৈ সুমুৱাই আনিলে। মণিমুগ্ধই ৰূপালীমৰ শৰীৰ আৰু মন উপভোগ কৰিব বিচাৰিলে আৰু জনালে যে ৰূপালীমে যদি স্বইচ্ছাই মণিমুগ্ধক তাইৰ দেহ দান কৰে, তেতিয়াহ'লে জুনাফা, মায়াব' আৰু গাঁওবাসীক তেওঁ মুক্তি দিব। অন্যথা তেওঁলোকক বধ কৰা হ'ব। ৰূপালীম এই প্ৰস্তাৱত মান্তি হ'ল আৰু এই কথাৰ সাক্ষী হ'ল জুনাফা, মায়াব আৰু ইতিভেন। ইতিমধ্যে ৰূপালীমৰ প্ৰেমৰ ওচৰত মণিমুগ্ধৰ মোহভঙ্গ হ'ল। ৰূপালীমৰ শৰীৰ উপভোগ নকৰাকৈয়ে মণিমুগ্ধই তাইক মুক্ত কৰি দিলে। সতীত্ব ৰক্ষা কৰিয়েই ৰূপালীম গাঁৱলৈ উভতি আহিল যদিও ইতিভেনে প্ৰত্যক্ষ কৰা ৰূপালীমৰ দেহদানৰ সন্মতিত ক্ষুব্ধ হৈ ইতিভেনে ৰূপালীমৰ ওপৰত ভীষণ প্ৰতিশোধ ল'লে। ঈৰ্ষান্বিত হৈ ইতিভেনে ৰূপালীমক কাড়াবিদ্ধ কৰি জীয়াই জীয়াই চিতাত তুলি দি চৰম প্ৰতিশোধ ল'লে। উল্লেখযোগ্য যে ইতিভেন মণিমুগ্ধৰ বাক্‌দত্তা আছিল। ইতিভেনৰ লগত এই সম্পৰ্কটো গঢ়ি উঠা সত্বেও মণিমুগ্ধ কোঁৱৰে ৰূপালীমৰ শৰীৰটো পাবলৈ কামনা কৰিছিল। তেওঁ ৰূপালীমক বলেৰে নিজৰ ৰাজকাৰেঙলৈ লৈ যায়। ইতিভেনে মণিমুগ্ধক ভাল পাইছিলে। গতিকে তেওঁক আওকাণ কৰি ৰূপালীমৰ নিচিনা এজনী সাধাৰণ ছোৱালীৰ প্ৰতি কোঁৱৰে দুৰ্বলতা প্ৰদৰ্শন কৰাতো ইতিভেনে ভাল পোৱা নাছিল। এইটো নাৰীৰ স্বভাৱজাত প্ৰবৃতি— এগৰাকী নাৰীয়ে তেওঁৰ প্ৰিয় পুৰুষজনক দ্বিতীয় এগৰাকী নাৰীৰ প্ৰতি আসক্ত হোৱাতো সহজভাৱে গ্ৰহণ কৰিব নোৱাৰে। ইতিভেন এগৰাকী ৰাজকন্যা হোৱা সত্বেও তেজ মঙহৰ নাৰী। সেয়েহে ৰূপালীমৰ প্ৰতি তেওঁৰ মনত ঈৰ্ষা ভাব জাগ্ৰত হৈছিল। অৱশ্যে এখন দেশৰ ৰাজকুমাৰী হিচাপে ইতিভেন কৰ্তব্য সচেতন আছিল। সেয়েহে তেওঁ নিজৰ ব্যক্তিগত নিৰাপত্তাৰ কথা নাভাবি শক্তিশালী মণিমুগ্ধৰ ৰাজকাৰেঙত প্ৰৱেশ কৰি মণিমুগ্ধক প্ৰত্যাহ্বান জনাব পাৰিছিল। সেই সময়ত তেওঁ তেওঁৰ প্ৰজা ৰূপালীমক মণিমুগ্ধৰ বন্দীত্বৰ পৰা মুক্ত কৰিবলৈ প্ৰয়াস কৰিছিল। তেওঁ তেওঁৰ প্ৰজা ৰূপালীমক ইন্দ্ৰিয় সুখৰ প্ৰতি লালায়িত হোৱা প্ৰান্ত দেশৰ অধিপতি মণিমুগ্ধ কোঁৱৰৰ হাতত লাঞ্ছিত হোৱাটো বিচৰা নাছিল। কিন্তু চতুৰ মণিমুগ্ধই কথাৰ জালত ৰূপালীমক এনেকৈ বন্দী কৰিছিল যে ৰূপালীমৰ কথা শুনি ইতিভেনে এইটো বিশ্বাস কৰিবলৈ বাধ্য হ'ল যে ৰূপালীমে মণিমুগ্ধক নিজৰ দেহ দান কৰি দেশলৈ কলঙ্ক মাতি আনিছে। গতিকে দেশৰ নাৰী সমাজৰ নামত কলঙ্ক অনা ৰূপালীমক প্ৰাণদণ্ডৰ নিচিনা কঠোৰ দণ্ড দিবলৈ ইতিভেন পিছ হুহুকি যোৱা নাছিল। নাটকখনৰ ষষ্ঠ অঙ্কৰ মণিমুগ্ধৰ চৰিত্ৰৰ পৰিৱৰ্তনতে নাট্য-কাহিনী সামৰিব পৰা গ'লেহেঁতেন যদিও ৰূপালীমৰ কৰুণ মৃত্যুৰ লগত জড়িত কাৰণসমূহতে নিহিত হৈ থাকিল সপ্তম অঙ্কটিৰ প্ৰয়োজনীয়তা। *ৰূপালীম* নাটকখনৰ ৰূপালীম চৰিত্ৰটিৰ কাৰুণ্য এইখিনিতেই যে যিখিনি মানুহৰ বাবে তাই জীৱনৰ চৰম

ত্যাগ স্বীকাৰ কৰিবলৈ ওলাইছিল, সেই মানুহখিনিয়েই তাইক স্বীকাৰ কৰিবলৈ অস্বীকাৰ কৰিছিল।

কাব্যধৰ্মিতা, গীতিধৰ্মিতা আৰু ট্ৰেজিক উপাদানেৰে পুষ্ট *ৰূপালীমে* মানুহৰ অন্তৰ্জগতৰো বাৰ্তা বহন কৰিছে। কোনো যুগতেই মানুহ কামনা-বাসনাৰ ঊৰ্ধ্বত নহয়। দুৰ্বলতাও মানুহৰ সনাতন সত্য। পাশৱিক আচৰণ আৰু সাংস্কৃতিক মন দুয়োটা উপাদানেই মানুহৰ মনত থাকে। ৰূপান্তৰৰ মাজেদি পাশৱিক শক্তিৰ অধিকাৰী মানুহেই এদিন সংস্কৃতিবান সুন্দৰ পুৰুষতো যে পৰিণত হ'ব পাৰে তাৰেই সুন্দৰ উদাহৰণ *ৰূপালীম*।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** *ৰূপালীম* নাটকখনৰ কাহিনীভাগ সংগঠনৰ ক্ষেত্ৰত নাট্যকাৰে কেনে ধৰণেৰে নিজৰ স্বীজনী প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিছে সেই বিষয়ে এটি টোকা লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ১০.৩.২ নাটকখনৰ চৰিত্ৰসৃষ্টি

চৰিত্ৰ নাটকৰ এটা অবিচ্ছেদ্য অঙ্গ। নাটকত কাহিনীৰ সমানে চৰিত্ৰৰো গুৰুত্ব আছে। ইতিমধ্যে বিভিন্ন অধ্যায়ত আলোচনাৰ প্ৰসঙ্গত নাটকত চৰিত্ৰৰ গুৰুত্ব কেনেকুৱা সেই বিষয়ে আলোচনা কৰা হৈছে। সেয়ে এইটো অধ্যায়ত সেই বিশেষ কথাখিনি পুনৰাই দোহৰাৰ প্ৰয়োজন অনুভৱ কৰা নাই। ইয়াত আমি পোনপটীয়াভাৱে জ্যোতিপ্ৰসাদ আগৰৱালাৰ *ৰূপালীম* নাটকৰ চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিম। মন কৰিব যে চৰিত্ৰসৃষ্টিৰ প্ৰতি সচেতন হৈ নাটক ৰচনা কৰা নাট্যকাৰসকলৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালা অন্যতম। তেওঁৰ নাটকসমূহ মূলতঃ চৰিত্ৰপ্ৰধান। নাটকৰ কাহিনীতকৈ চৰিত্ৰৰ বৈচিত্ৰ্যৰ ওপৰতহে তেওঁ অধিক গুৰুত্ব দিছিল। দৃশ্যসজ্জা, সংলাপ আদিৰ দৰে চৰিত্ৰ চিত্ৰণতো তেওঁ আছিল অদ্বিতীয়।

পৰিস্থিতিৰ সহযোগত চৰিত্ৰ ৰূপায়িত কৰি তাক বাস্তৱধৰ্মী আৰু জীৱন্ত কৰি তোলাত জ্যোতিপ্ৰসাদ আগৰৱালা যথেষ্ট সচেতন আছিল। তদুপৰি চৰিত্ৰৰ মনস্তাত্ত্বিক দিশ ৰূপায়ণতো আগৰৱালা সফল হৈছিল। তেওঁৰ প্ৰায় আটাইকেইখন নাটকতে এগৰাকী নাৰীয়ে মুখ্য ভূমিকা লোৱা দেখা যায়। এনে অনুমান হয় যে তেওঁৰ প্ৰথম নাটক *শোণিত কুঁৱৰীৰ* পৰা *লভিতালৈকে* তেওঁ যেন এক আদৰ্শ নাৰীৰ পৰিকল্পনাত ব্ৰতী হৈছিল। *ৰূপালীম* নাটকতো আমি তেনে আদৰ্শৰে উমান পাওঁ। *ৰূপালীম* নাটকত অনেক

সৰু-বৰ চৰিত্ৰ ৰূপায়িত হৈছে। সেই চৰিত্ৰসমূহৰ ভিতৰত ৰূপালীম, ইতিভেন, মায়াব', মণিমুগ্ধ, জুনাফা, ৰেণথিয়াং, ৰুক্‌মী ৰজা, ৰিমু আদি চৰিত্ৰ অন্যতম। এই চৰিত্ৰসমূহৰ মাজেৰে সমাজৰ তিনি শ্ৰেণীৰ মানুহৰ চৰিত্ৰ প্ৰকাশ পাইছে। এটা হ'ল সহজ-সৰল দুৰ্বল শ্ৰেণীৰ মানুহৰ চৰিত্ৰ— য'ত আছে মায়াব', জুনাফা আৰু ৰূপালীম; দ্বিতীয় শ্ৰেণীত পৰে ভোগ বিলাসত মতলীয়া শাসকীয় শ্ৰেণী— য'ত আছে ৰুক্‌মী ৰজা, ৰেণথিয়াং আৰু মণিমুগ্ধ। আনটো শ্ৰেণীত আছে ইতিভেন আৰু খন্তেক সময়ৰ বাবে দেখা দিয়া ৰিমুৰ চৰিত্ৰ। উল্লিখিত চৰিত্ৰসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

➢ *ৰূপালীম ঃ* ৰুক্‌মী জাতিৰ এজনী সাধাৰণ প্ৰজাৰ জীয়াৰী ৰূপালীম নাটকখনৰ নায়িকা। ৰূপালীম অকল তেজ-মঙহৰ ছোৱালীয়েই নহয়, প্ৰেমৰ এক অপাৰ্থিৱ শক্তি। নাটকৰ প্ৰথম অঙ্কত ৰূপালীমে আত্মপ্ৰকাশ কৰিছে এগৰাকী প্ৰেমিকাৰূপে। পৰ্বতীয়া নৈৰ পানী-ঘূঁৰলিত প্ৰেমিক মায়াব'ই হাতত পেঁপা লৈ থকা অৱস্থাতে দূৰৈৰ পৰা এটি গীতৰ কলি ভাঁহি আহে। পাছত জনা যায় সেয়া ৰূপালীমৰ মুখৰ গীতৰ কলি। তাইৰ অন্তৰ জুৰি আছে প্ৰেমিক মায়াব'। তাইৰ অন্তৰত যুৱতীসুলভ প্ৰেম যিদৰে আছে তেনেদৰে আছে এগৰাকী নাৰীৰ মাতৃসুলভ মন। ৰূপালীমৰ বায়েকৰ নোদোকা ল'ৰাটোক মমতাময়ী ৰূপ লৈ ৰূপালীমে বৰ মৰম কৰে। তাইৰো তেনে এটি ল'ৰাৰ মাক হোৱাৰ ইচ্ছাৰে মাতৃত্বৰ প্ৰবৃত্তি জাগি উঠা দেখা যায়। জুনাফাৰ চৰ্ত মতে মায়াব'ই যেতিয়া বাঘৰ কটা মূৰ এটা জুনাফাৰ চোতালত পেলাই দিছিল তেতিয়া বাঘ পোৱালীকেইটাৰ কথা ভাবি ৰূপালীমৰ মাতৃ মনে কান্দি উঠিছিল। সেই সময়ত ৰূপালীমে সমনীয়া ছোৱালীকেইজনীৰ লগত লগ হৈ চোতালত ধান বনা, তাঁত বোৱা ইত্যাদি কাম কৰি আছিল। কিন্তু এনে এগৰাকী সৰলমনা ৰাংচালী ছোৱালীৰ ভাগ্যৰ কেনে বিড়ম্বনা যে ৰূপালীমৰ অন্তৰৰ মৰ্মবেদনা মানুহৰ সমাজখনে উপলব্ধি কৰিব নোৱাৰিলে।

ৰূপালীম এজনী সাধাৰণ গাঁৱলীয়া ছোৱালী। কিন্তু তাইৰ অন্তৰ প্ৰেমেৰে উপচি আছে। তাই ভাল পায় মায়াব', জুনাফা আৰু ভাল পায় তাইৰ গাঁওবাসীক। যেতিয়া তাই মণিমুগ্ধৰ পৰা গম পালে যে যদি তাই নিজ ইচ্ছা মতে মণিমুগ্ধক তাইৰ দেহ দান কৰে তেতিয়া হ'লে মণিমুগ্ধই তাইৰ প্ৰেমিক মায়াব', বুঢ়া আপু জুনাফা আৰু তাইৰ মৰমৰ গাঁওবাসীয়ে মুক্তি পাব তেতিয়া তাই সেই প্ৰস্তাৱত মান্তি হ'ল। স্বদেশ আৰু স্বজাতিৰ তুলনাত তাই তাইৰ শৰীৰক তুচ্ছ জ্ঞান কৰিলে। কিন্তু এনে এগৰাকী তুচ্ছাতিতুচ্ছ নাৰীৰ প্ৰেমৰ ওচৰত ভোগী, বিলাসপ্ৰিয়, স্বেচ্ছাচাৰী ৰজা মণিমুগ্ধই হাৰ মানিলে। ৰূপালীমৰ প্ৰেমৰ গভীৰতা, আদৰ্শৰ বিশালতা আৰু ত্যাগৰ মহিমাত মণিমুগ্ধৰ দুষ্কৃতিকামী মনৰ পৰিৱৰ্তন ঘটিল। মণিমুগ্ধৰ মনৰ আন্ধাৰ গহ্বৰ পোহৰেৰে আলোকিত হৈ উঠিল। মণিমুগ্ধৰ জ্ঞান চকু মুকলি হ'ল। ৰূপালীমে মণিমুগ্ধক নিজৰ দেহ উপহাৰ দিবলৈও মান্তি হৈ স্বদেশ

আৰু স্বজাতিক ৰক্ষা কৰাৰ উপৰি উদ্ভ্ৰান্ত প্ৰেমিক মণিমুগ্ধৰ চৰিত্ৰৰ উত্তৰণ ঘটালে। *ৰূপালীম* ৰচনা কৰা সময়ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ মনৰ মাজত মেটাৰলিঙ্কৰ *মোন্নাভানা* নাটকৰ ছাঁ পৰোঁ-নপৰোকৈ পৰা বুলি নাটকখনৰ পাতনিত নাট্যকাৰে উল্লেখ কৰিছে। অৱশ্যে জোতিপ্ৰসাদ আগৰৱালাই মোন্নাভানা চৰিত্ৰটিক দুভাগ কৰি ৰূপালীম আৰু ইতিভেন চৰিত্ৰ দুটি অঙ্কন কৰিছে।

ৰূপালীম আদৰ্শ চৰিত্ৰ নহয়। কিন্তু জ্যোতিপ্ৰসাদ আগৰৱালাই যেন ৰূপালীমৰ চৰিত্ৰত ত্যাগৰ মহিমা ৰূপায়িত কৰি তাইক এক অনন্য চৰিত্ৰলৈ ৰূপায়িত কৰিলে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটককেইখন আলোচনা কৰাৰ অন্তত এটা সিদ্ধান্তলৈ আহিব পৰা যায় যে তেওঁৰ প্ৰতিখন নাটকতে মুখ্য ভূমিকা লৈছে এগৰাকী নাৰীয়ে। বহুত ক্ষেত্ৰত দেখা যায় তেওঁলোক যেন ধৈৰ্যৰ প্ৰতিমূৰ্তি আৰু আগৰৱালাৰ মনক নাৰীৰ এই স্বৰ্গীয় জ্যোতিয়ে আলোকিত কৰি তুলিছিল। সেইবাবে ঊষা, শেৰালি, নিমাতী কইনা আদিৰ দৰে ৰূপালীমৰো অতুলনীয় নীৰৱ সৌন্দৰ্যই নাটকখনত এক আকৰ্ষণীয় ভূমিকা গ্ৰহণ কৰিছে।

- *ইতিভেন ঃ ৰূপালীম* নাটকখনৰ আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰটি হ'ল ইতিভেন। নাটকখনত দুটা বিপৰীতধৰ্মী মনোভাব প্ৰদৰ্শনকাৰী চৰিত্ৰ ইতিভেনে নাটকখনৰ তৃতীয় অঙ্কত দেখা দিছে। ৰুক্মী ৰজাৰ কথাৰ পৰা জানিব পৰা যায় যে ইতিভেন মণিমুগ্ধৰ বাক্‌দত্তা। কিন্তু অকৰ্মণ্য ককায়েক ৰুক্মী ৰজাৰ পৰা ৰূপালীমৰ বুঢ়া আপু জুনাফাই সুবিচাৰ নোপোৱাত সেই ইতিভেনেই পুৰুষসুলভ সাহসিকতাৰে ন্যায় দিবলৈ প্ৰেমিক মণিমুগ্ধৰ বিৰুদ্ধে যুঁজ দিবলৈ ওলাই আহিছে। ইতিভেনে নিজৰ ককায়েক অথচ দুৰ্বল ৰজাৰ অকৰ্মণ্যতাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি ওলাই আহিছে আৰু নাৰীৰ প্ৰতি থকা সমাজৰ কঠোৰ নীতি-নিয়ম ওফোৰাই পেলাইছে।

ইতিভেন অতি বিচিত্ৰ চৰিত্ৰ। তেওঁ এগৰাকী সাহসী নাৰী। ইতিভেন এগৰাকী প্ৰেমিকা, আনফালে তেওঁ নিষ্ঠুৰা। ইতিভেনৰ অন্তৰত এফালে আছে গভীৰ স্বদেশপ্ৰেম আনফালে আছে গভীৰ কৰ্তব্যবোধ। এনে দুই বিপৰীতধৰ্মী মানসিকতাৰ বাবেই ইতিভেন এক অনন্য চৰিত্ৰ। এই সকলোবোৰৰ ঊৰ্ধ্বত ইতিভেনৰ চৰিত্ৰত আন এটা বিপৰীতধৰ্মী শক্তিয়ে ক্ৰিয়া কৰি আছিল, সেইটো হৈছে ৰূপালীমৰ প্ৰতি সহজাত ঈৰ্ষা। কোনো প্ৰেমিকাই তেওঁৰ প্ৰেমিকে আন এগৰাকী নাৰীৰ প্ৰতি আসক্ত হোৱাটো সহ্য কৰিব নোৱাৰে। ইতিভেনৰ চৰিত্ৰটি অধ্যয়ন কৰিলে এনে লাগে যেন প্ৰকৃততে ইতিভেনে ঈৰ্ষাৰ জ্বালাতহে মণিমুগ্ধৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে। কিন্তু চৰিত্ৰটি ভালদৰে বিশ্লেষণ কৰিলে দেখা যায় যে মণিমুগ্ধৰ প্ৰতি বিদ্ৰোহ ইতিভেনৰ ঈৰ্ষা নহয়। ই তেওঁৰ স্বদেশপ্ৰেমৰ পৰা উদ্ভুত চেতনাহে। প্ৰেম, বিবাহ ইত্যাদিৰ মূল্য ইতিভেনে অস্বীকাৰ নকৰে। কিন্তু ন্যায় আৰু নীতিক প্ৰেম আৰু বিবাহ আদিতকৈ তেওঁ অধিক মূল্য দিয়ে। সেয়ে নৈতিকতাক বিসৰ্জন দিয়া পুৰুষৰ সৈতে বিয়াত

বহিবলৈ ইতিভেন মান্তি নহয়।

ইতিভেন এক গতিশীল চৰিত্ৰ। মণিমুগ্ধৰ স্বেচ্ছাচাৰিতাৰ প্ৰতি বিদ্ৰোহ আচৰণ কৰি তেওঁ নীতিবোধৰ প্ৰতি সচেতনতাৰ পৰিচয় দিলে। ৰূক্মী ৰজাৰ প্ৰতি বিদ্ৰোহ আচৰণৰ যোগেদি স্থিতিশীলতাৰ বান্ধোন ছিঙি ওলাই অহা ইতিভেন এক গতিশীল চৰিত্ৰ। তেওঁৰ চৰিত্ৰৰ গতিময়তা বাগৰি আহিছে ব্যক্তিৰ পৰা সমাজলৈ আৰু তাৰ পৰা ৰূপান্তৰিত হৈছে স্বদেশ প্ৰেমলৈ। তেওঁৰ স্বদেশ প্ৰেম কেৱল মনৰ আৱেগ নহয়— মণিমুগ্ধৰ কাৰেং আক্ৰমণ কৰাৰ দৰে কাৰ্যৰে ইতিভেনে তেওঁৰ স্বদেশ প্ৰেমৰ আৰ্হি দাঙি ধৰিছে। অথচ এইগৰাকী নাৰীয়েই প্ৰেমিক মণিমুগ্ধক মূৰত আঘাত কৰাৰ পাছত মণিমুগ্ধ যেতিয়া শয্যাত বাগৰি পৰিছিল তেতিয়া ইতিভেনে মণিমুগ্ধৰ ৰক্তাক্ত মূৰটো কোলাত তুলি লৈ মূৰত চুমা খাই গালখন মূৰত লগাই কান্দিছিলে। সেই একে ইতিভেনেই আকৌ খন্তেক পিছতে মণিমুগ্ধই ৰূপালীমৰ সৌন্দৰ্য উপভোগ কৰিব নোৱাৰিলে তেওঁৰ জীৱন অসাৰ্থক হ'ব বুলি কোৱাত পুনৰ মণিমুগ্ধক শিকলিৰে মাৰিবলৈ উদ্যত হৈছে। কিন্তু অৱশেষত ইতিভেন মণিমুগ্ধৰ সেনাপতিৰ হাতত বন্দী হ'ল। মণিমুগ্ধৰ কামুকতাত ইতিভেন ক্ষুব্ধ হৈ উঠে আৰু কৈ উঠে "তোক মই ঘিণ কৰোঁ— বৰ্বৰ— তোক মই ঘিণ কৰোঁ।" ইতিভেনৰ চৰিত্ৰ পৰিস্থিতিয়ে গঢ় দিয়া চৰিত্ৰ।

ৰূপালীমক ইতিভেনে নিজৰ প্ৰতিদ্বন্দ্বী বুলি ভবা কথাটো নাটকখনত বৰ স্পষ্ট হৈ ফুটি উঠা নাই যদিও নাটকখনৰ শেষত ইতিভেনে ৰূপালীমৰ ওপৰত প্ৰতিশোধ পূৰণৰ বাবে উদ্বাউল হৈ পৰিছে। ইতিভেন, ৰূপালীমে মণিমুগ্ধক ওচৰত দেহ দান কৰাৰ সাক্ষী হৈ ৰৈছিল। কিন্তু ৰূপালীম যে সতীত্ব নেহেৰুৱাকৈ মণিমুগ্ধৰ ওচৰৰৰ পৰা ঘূৰি আহিল সেই কথা কোনেও নাজানিলে। ৰূপালীমৰ ট্ৰেজেদি সেইখিনিতেই। ৰূপালীম ইতিভেনৰ নিষ্ঠুৰতাৰ বলি হ'ল। নাট্যকাৰে ইতিভেন চৰিত্ৰৰ বিচিত্ৰতা দেখুৱাবলৈ গৈ এফালে নৈতিকতা আৰু আনফালে প্ৰণয়জনিত ঈৰ্ষা দুয়োটা ৰূপায়ণতে গুৰুত্ব দিছে। ইতিভেন চৰিত্ৰটিক মুক্ত নাৰী চৰিত্ৰ হিচাপে অঙ্কনৰ প্ৰচেষ্টা চলাইছে যদিও প্ৰকৃততে ইতিভেন মুক্ত নাৰী চৰিত্ৰ নহয়।

➢ *মায়াব' ঃ* ৰূক্মী ডেকা মায়াব' *ৰূপালীম* নাটকৰ এটি সহজ সৰল নিৰ্জু চৰিত্ৰ। নাটকখনৰ কাহিনী ৰূপালীম আৰু মায়াব'ক কেন্দ্ৰ কৰি আগবাঢ়িছে, সেয়ে মায়াব' নাটকখনৰ নায়ক। কিন্তু এনে এটি সহজ-সৰল চৰিত্ৰই ঘটনাৰ চাকনৈয়াত পৰি গতি লাভ কৰিব পৰা নাই। ৰূপালীমৰ সৈতে প্ৰেমত আবদ্ধ বাবেই মায়াব' নাটকখনৰ নায়ক যদিও নায়কোচিত গুণ মায়াব'ৰ গাত নাই। সুন্দৰ-সুঠাম জনজাতীয় ডেকা মায়াব'ৰ গাত ডেকা বয়সৰ শক্তি আছে। ৰূপালীমক পাবৰ বাবে মায়াব'ই ৰূপালীমৰ বুঢ়া আপু জুনাফাৰ কথা মতেই এটি বাঘৰ মূৰ কাটি আনি শক্তি দেখুৱাইছে। কিন্তু অন্যায়ৰ প্ৰতিবাদ কৰিব পৰা সাহস মায়াব'ৰ নাই। প্ৰেমিকা ৰূপালীমক প্ৰান্ত দেশৰ

অধিপতি মণিমুগ্ধই বলপূৰ্বক লৈ যোৱাৰ পাছত ৰুক্মী ৰজাৰ ওচৰত জুনাফাৰ সৈতে গোচৰ দিয়াৰ বাহিৰে মায়াব'ই অইন কোনো ধৰণৰ প্ৰতিবাদ কৰিব পৰা নাই। এজন ডেকা প্ৰেমিকৰ পৰা এই ক্ষেত্ৰত যেনে প্ৰতিবাদৰ ঢৌ উঠিব লাগিছিল— সেই ক্ষেত্ৰত মায়াব'ক তেনেই দুৰ্বল যেন লাগে। বৰং ইতিভেনে মণিমুগ্ধৰ ৰাজকাৰেং আক্ৰমণ কৰাৰ সময়ত ৰূপালীমক লৈ পলাই যোৱা কাৰ্যই এজন দুৰ্বল ডেকাৰ চৰিত্ৰহে প্ৰকাশ কৰিছে। কিন্তু পলাই যোৱা প্ৰেমিক যুগল ধৰা পৰিল। বিমোৰত পৰা মায়াব'ই অসহায়ভাৱে ৰূপালীমক ৰেণথিয়াঙে পুনৰ ধৰি বন্দী কৰা কাৰ্যত নীৰৱ দৰ্শক হৈ ৰ'ল। এইখিনি সময়ত মায়াব'ই বীৰত্বৰে অন্যায়ৰ প্ৰতিবাদ কৰিব লাগিছিল। পুনৰ সপ্তম অঙ্কত মায়াব'ৰ চৰিত্ৰৰ দুৰ্বলতা প্ৰকাশ পালে। যি গৰাকী প্ৰেমিকা নাৰীৰ চৰম ত্যাগৰ বিনিময়ত প্ৰেমিক মায়াব'কে আদি কৰি সমগ্ৰ গাঁওবাসীক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিছিল, তেনে এগৰাকী প্ৰেমিকা অসতী বুলি গাঁওবাসীয়ে প্ৰতিপন্ন কৰিব বিচাৰিলেও মায়াব'ৰ মুখেৰে কোনো প্ৰতিবাদৰ ভাষা নোলাল। বৰং অতি দুৰ্বল মানুহৰ দৰে মায়াব' মাটিত ঢলি পৰিল। কিন্তু চৰিত্ৰটিয়ে নাটকখনত কোনো গতি আনি দিব নোৱাৰিলেও স্বেচ্ছাচাৰী শাসক শ্ৰেণীটোৰ ওচৰত পৰাভূত হৈ পৰা এনে চৰিত্ৰই পাঠক-দৰ্শকৰ সহানুভূতি আদায় নকৰাকৈ নাথাকে।

➢ *মণিমুগ্ধ ঃ ৰূপালীম* নাটকৰ এটা বিচিত্ৰ চৰিত্ৰ মণিমুগ্ধ। ভোগ-বিলাসত মত্ত আৰু নিজৰ সুখ আৰু বিলাসৰ বাবে ৰাজকীয় শক্তি প্ৰয়োগ কৰিব খোজা এক শ্ৰেণী মানুহৰ প্ৰতিনিধিত্ব কৰা চৰিত্ৰ মণিমুগ্ধ। মণিমুগ্ধ তথাকথিত ৰাজকীয় মানসিকতাৰ প্ৰতিভূ। তেওঁ অহংকাৰী আৰু ভোগবিলাসী। সেয়ে ৰূপালীমক দেখিয়েই তেওঁ দম্ভ আৰু অহংকাৰেৰে নিজৰ কৰি ল'বলৈ বা উপভোগ কৰিব বিচাৰিছে। তেওঁৰ ৰাজকাৰেঙৰ যি বৰ্ণনা নাটকখনত পোৱা গৈছে সিওঁ তেওঁৰ বিলাসী মনৰ পৰিচয় দিয়ে। সেয়ে নিজৰ বাক্‌দত্তাৰ সন্মুখতো নিৰ্লজ্জভাৱে মণিমুগ্ধই ৰূপালীমৰ ৰূপ উপভোগৰ উদগ্ৰ বাসনা প্ৰকাশ কৰিছে। ৰূপালীমৰ যন্ত্ৰণাকাতৰ অসহায় অৱস্থাই মণিমুগ্ধক তলাব পৰা নাই। বৰং তেওঁ নিজকে পশুৰ শাৰীলৈ নামি যোৱা বুলি গৰ্ব কৰিছে। তেওঁ সোণ ৰূপেৰে ৰূপালীমৰ মূল্য জুখিব খুজিছে। কিন্তু এটা সময়ত মণিমুগ্ধৰ চৰিত্ৰৰ ৰূপান্তৰ ঘটে। তেওঁৰ মনৰ দুষ্কৃতিপূৰ্ণ ভাবৰ পৰিৱৰ্তন ঘটিল সংস্কৃতিলৈ। মণিমুগ্ধই উপলব্ধি কৰিলে প্ৰেমহীন শৰীৰ এটি সুন্দৰ মদিৰাবিহীন পাত্ৰ মাত্ৰ। মণিমুগ্ধৰ দৰে কদাকাৰ চৰিত্ৰৰ পৰিৱৰ্তন ঘটিছে এগৰাকী তুচ্ছাতিতুচ্ছ নাৰীৰ প্ৰেমৰ বলত।

মণিমুগ্ধ চৰিত্ৰটি নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সমাজৰ শাসক শ্ৰেণীৰ প্ৰতি এক প্ৰচণ্ড ব্যংগ মাথোন। তেওঁলোক সমাজৰ সকলোখিনি ভালৰ অধিকাৰী হ'ব খোজে। ইতিভেনক ভাল পাইও মণিমুগ্ধ ৰূপালীমৰ সৌন্দৰ্য উপভোগৰ তাড়নাত মত্ত। ইতিভেনক ভাল পাইও ইতিভেনৰ প্ৰতিহিংসাৰ পোটক তুলিবলৈ তৎপৰ।

তথাপিও মণিমুগ্ধৰ মাজেৰে দেখুওৱা হৈছে চিৰন্তন পোহৰ প্ৰত্যাশী মনৰ আকুলতা। শেষৰ ফালে নাট্যকাৰে মণিমুগ্ধক দৈহিক ৰূপৰ পৰা আত্মিক সৌন্দৰ্যলৈ, স্থূলৰ উপাসকৰ পৰা সূক্ষ্মৰ সাধকলৈ ৰূপান্তৰিত কৰিছে।


- *ৰূকমী ৰজা ঃ* তথাকথিত শাসকীয় শ্ৰেণীটোৰ প্ৰতি প্ৰচন্ন ব্যংগ প্ৰকাশ পাইছে ৰূকমী ৰজাৰ চৰিত্ৰটোৰ মাজেদি। ক্ষমতাৰ অধিকাৰী শাসকৰ ওপৰত নিৰ্ভৰ কৰে জনসাধাৰণৰ সুখ আৰু সমৃদ্ধি। কিন্তু নাটকখনৰ এই চৰিত্ৰটোৰ মাজেৰে ইয়াৰ এখন সম্পূৰ্ণ বিপৰীত ছবিহে পৰিস্ফুট হৈছে। তেওঁ কাৰেঙৰ লিগিৰীসকলৰ নৃত্য-গীতৰ মূৰ্চ্ছনাত বিভোল হৈ নিজৰ কৰ্তব্যৰ কথা পাহৰি গৈছে। সুৰাৰ ৰাগীত মতলীয়া হৈ থাকি তেওঁক গোচৰ দিবলৈ অহা বুঢ়া জুনাফাক ভীৰুৰ দৰে কৈছে যে জুনাফাৰ কথা তেওঁ বিশ্বাস নকৰে আৰু জুনাফাৰ কথা সঁচা হ'লেও তেওঁ প্ৰবল প্ৰতাপী মণিমুগ্ধৰ বিপক্ষে যাব নোৱাৰে। একেদৰে ভনীয়েক ইতিভেনৰ আগতো তেওঁৰ অক্ষমতা প্ৰকাশ কৰি জুনাফাৰ বিৰুদ্ধে কটু মন্তব্য কৰে। ইতিভেনে ককায়েক ৰূকমী ৰজাৰ দুৰ্বলতা আৰু কাপুৰুষালিৰ বিৰুদ্ধে ওলাই আহি মণিমুগ্ধৰ কাৰেং আক্ৰমণ কৰাত মণিমুগ্ধইও প্ৰতি আক্ৰমণ কৰিছে। ৰূকমী ৰজাই তেতিয়া মণিমুগ্ধৰ সৈন্যৰ আগত তিষ্ঠিব নোৱাৰি পলাই আহি জাৰণিৰ মাজত আশ্ৰয় লৈছে। ভোকত তেওঁ লেৰেলা-চেপেটা হৈছে। ৰজা ইমানেই ভয়াতুৰ যে জাৰণিৰ মাজত গছৰ শুকান পাতত ভৰিৰ খোজ শব্দ শুনিও উচপ খাই উঠিছে। তাৰ মাজতে দুজন মানুহক ছয়াময়াকৈ দেখি তেওঁ পলাই যাবলৈ চেষ্টা কৰিছে। ৰজাৰ এনে কাৰ্য কেতিয়াও ৰাজোচিত নহয়। হয়তো জ্যোতিপ্ৰসাদ আগৰৱালাই দেখুৱাব বিচাৰিছিল যি ৰাজশক্তিৰ ওপৰতে প্ৰজাৰ সুখ-শান্তি নিৰাপত্তা নিৰ্ভৰ কৰে, তেনে ৰাজশক্তিয়ে প্ৰজাৰ শান্তি হৰণো কৰে। ৰূকমী ৰজাৰ ওচৰত জনসাধাৰণে নিৰাপত্তা বিচাৰি পোৱা নাই। তেওঁ শাসক নামৰ অযোগ্য। সেইবাবে ইতিভেনে ককায়েকক শাসনৰ গাদীৰ পৰা আঁতৰাই নিজেই দেশ ৰক্ষাৰ বাঘজৰী হাতত তুলি লৈছে। নাট্যকাৰে হয়তো সমাজ-বিশ্লেষণৰ মনোভাবেৰেই ৰূকমী ৰজাক নাটকখনত অৱতীৰ্ণ কৰাইছে। ৰূকমী ৰজাৰ চৰিত্ৰটি হাস্যাস্পদ চৰিত্ৰ যেন লাগিলেও চৰিত্ৰটিৰ দুৰ্বল ভূমিকাই নাটকখনৰ কাহিনীত গতিশীলতা আনি দিছে। তদুপৰি শাসক শ্ৰেণীৰ চৰিত্ৰ এনে নোহোৱাই যুগুত বুলি আওপকীয়াকৈ এটি বক্তব্য দাঙি ধৰা হৈছে। চৰিত্ৰটিৰ মাজেৰে ভোগ বিলাসত মতলীয়া ৰজা এজনৰ অৱস্থাৰ পৰিৱৰ্তন দেখুওৱা হৈছে।
- *ৰিমু ঃ* অলপ সময়ৰ বাবে দেখা দিয়া ৰিমু চৰিত্ৰটি সাধাৰণ যেন লাগিলেও সমাজ সম্পৰ্কে ৰিমু সচেতন। তেওঁ অকৰ্মণ্য ৰজাক ফটিকাৰ যোগান ধৰি থাকিলেও উপলব্ধি কৰিছে যে দেশ আৰু স্বজাতিৰ কথা সকলোৰে ওপৰত আৰু দেশৰ মানুহৰ দুৰ্দশাত ভাগ ল'বলৈ ৰূক্‌মী ৰজাৰ পৰা অব্যাহতি বিচাৰিছে।
- *ৰেণথিয়াং ঃ* ৰেণথিয়াং প্ৰান্ত দেশৰ অধিপতি মণিমুগ্ধৰ আজ্ঞাবাহী সেনাপতি।

ৰজাৰ ধৰ্মই তেওঁৰো ধৰ্ম। নিজৰ মতামত বুলিবলৈ তেওঁৰ একো নাই। মণিমুগ্ধৰ আদেশ অমান্য কৰিবলৈ তেওঁৰ সাহস নাই। গতিকে তেওঁৰ মানসিকতা কেনে সেয়া বুজিবলৈ পাঠকৰ কিছু অসুবিধা হয়।

➢ *জুনাফা ঃ* ৰূক্মী বুঢ়া জুনাফা নাটকখনৰ নায়িকা ৰূপালীমৰ আপু। ৰূপালীমৰ দৰে তেৰোঁ সমাজৰ দুৰ্বল শ্ৰেণীৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ। এনে দুৰ্বল শ্ৰেণীৰ চৰিত্ৰই নিজৰ মান-মৰ্যাদাক লৈ সচেতন হ'লেও অন্যায়ৰ বিৰুদ্ধে ওলাই আহিব নোৱাৰে। নিজৰ আলফুলীয়া ছোৱালীজনীক মণিমুগ্ধৰ আদেশত ৰেণথিয়াঙে লৈ যোৱাৰ পৰত প্ৰতিবাদী কণ্ঠেৰে ৰূপালীমক ৰক্ষা কৰিবলৈ সকলোকে আহ্বান জনাইছে। চৰম অসহায়বোধ কৰি জুনাফাই মাথোন চিঞৰিলে।

কিন্তু নাটকখনৰ শেষত ইতিভেনে যেতিয়া জুনাফাক ৰূপালীমৰ সতীত্ব সম্পৰ্কে সুধিলে—তৎক্ষণাৎ জুনাফাই ইয়াৰ উত্তৰ বিচাৰি পালে, কাৰণ জুনাফাৰ দৰে মানুহৰ মন আগুৰি থাকে সাতামপুৰুষীয়া সংস্কাৰেৰে। গতিকে প্ৰচলিত সমাজ ব্যৱস্থা আৰু প্ৰাচীনপন্থী সংস্কাৰত বন্দী জুনাফাই অকণো পলম নকৰি ইতিভেনৰ সৈতে সহমত প্ৰকাশ কৰিলে। জুনাফাৰ চৰিত্ৰৰ বৈশিষ্ট্য ইয়াতেই।

এইকেইটা প্ৰধান চৰিত্ৰৰ বাদেও আন কেইবাটাও সৰু সৰু চৰিত্ৰ নাট্যকৰে সৃষ্টি কৰিছে যদিও সেই গোটেই কেইটা চৰিত্ৰ কেৱল পৰিৱেশ-পৰিস্থিতি ফুটাই তুলিবৰ বাবেহে সৃষ্টি কৰিছে। নাট্য-কাহিনী বিকাশত অৰিহণা যোগোৱাতে সেইকেইটা চৰিত্ৰৰ ভূমিকা শেষ হৈছে। তথাপিতো ক'ব পাৰি পৰিৱেশ-পৰিস্থিতি সৃষ্টিৰ বাবে সেইকেইটা চৰিত্ৰ অপৰিহাৰ্য।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ২ ঃ** 'চৰিত্ৰৰ বিচিত্ৰতা দাঙি ধৰাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱাল সফল হৈছে'— *ৰূপালীম* নাটকখনৰ আধাৰত এই উক্তিটোৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক। (১৫০-৩০০টা শব্দৰ ভিতৰত)

..................................................................................................

..................................................................................................

..................................................................................................



**চিন্তা-চৰ্চা কৰক— ১০.১**

অধিক জানিবলৈ শাখটোত উল্লেখ থকা কিতাপসমূহৰ সহায়েৰে জ্যোতিপ্ৰসাদৰ এইখন নাটকত *মোন্নাভানা* নাটৰ প্ৰভাৱ কেনেদৰে প্ৰতিভাত হৈছে সেয়া বিচাৰ কৰিবলৈ যত্ন কৰক।

## ১০.৩.৩ নাটকখনৰ সংলাপ

নাটকৰ এটা বিশিষ্ট উপাদান হ'ল সংলাপ। সংলাপ মানে নাটকৰ চৰিত্ৰৰ মুখৰ বচন। ই নাটকৰ এটা অবিচ্ছেদ্য অঙ্গ। নাটকত সাৰ্থক সংলাপ প্ৰয়োগ কৰাটো কষ্টসাধ্য কাম। চৰিত্ৰৰ মনৰ আৱেগ-অনুভূতি, ৰুচি-অভিৰুচি, ভাব-চিন্তাক কলাত্মক বা যথাৰ্থ ৰূপত প্ৰকাশ কৰিব পৰাটো নাট্যকাৰৰ সফলতা বুলি ক'ব পাৰি। এই ক্ষেত্ৰত নাট্যকাৰক সহায় কৰে সংলাপে। এই বিষয়েও ইতিপূৰ্বে আলোচনা কৰি অহা হৈছে। সংলাপ ৰচনাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালা এগৰাকী সফল নাট্যকাৰ আছিল। প্ৰাঞ্জল সংলাপ ৰচনা কৰাৰ কৌশল তেওঁৰ প্ৰতিভাৰ অন্য এটি দিশ। চৰিত্ৰৰ আৱেগ-অনুভূতি, ৰুচি-অভিৰুচি, ভাব-চিন্তাক কলাত্মক তথা যথাৰ্থ ৰূপত প্ৰকাশ কৰি কাহিনীক গতি প্ৰদান কৰিব পৰা সংলাপ ৰচনাৰ কৌশল তেওঁৰ আটাইকেইখন নাটকতে দেখা যায়। সেইদৰে তৃতীয়খন নাটকতো তেওঁৰ পৈণত হাতৰ সংলাপে নাটকখন শ্ৰুতিমধুৰ কৰি তুলিছে। *ৰূপালীম* নাটকখন বিভিন্ন পৰিৱেশৰ বাবে কবিত্বময় হৈ উঠাৰ উপৰি সংলাপৰ সফল প্ৰয়োগেও নাটকখন কাব্যিক ব্যঞ্জনাৰে ভৰাই তুলিছে। নাটকখনৰ মায়াব', ৰূপালীম, মণিমুগ্ধ, ইতিভেন আটাইকেইটি চৰিত্ৰয়েই প্ৰেমিক-প্ৰেমিকা। আটাইকেইটি চৰিত্ৰৰ প্ৰেম অনুভূতি প্ৰকাশক সংলাপবোৰত কল্পনাৰ কোমলতা, অনুভূতিৰ সূক্ষ্মতা আৰু আৱেগৰ আকুলতা প্ৰকাশ পাইছে। মায়াব'ই হৃদয়ৰ আবেগ উজাৰি ৰূপালীমক কোৱা এই সংলাপফাকিয়েও চৰিত্ৰৰ মনৰ কাব্যিক ভাব উদঙাই দেখুৱাইছে।

মায়াব' ঃ মোৰ হিয়াৰ মাজত সোমাই থকা ৰূপালীমৰ মাতটিয়ে এই পেঁপাৰ বিন্ধাই বিন্ধাই ওলাই আহি তোমাৰেই দৰে এই পেঁপাটিয়ে তোমাৰ গীতকে মোক গাই শুনাইছিলে ৰূপালীম! তুমি কিয় ইমান নিমৰমিয়াল বাৰু? তুমি অকলে এৰি থৈ গ'লে তুমিয়ে হে পেঁপাটিয়ে মোককতনো ইননি-বিননিৰে বিয়াকুল কৰি থৈছিলে।

প্ৰকৃততে প্ৰথম অঙ্কৰ মায়াব' আৰু ৰূপালীমৰ প্ৰায় আটাইখিনি সংলাপেই প্ৰেম অনুভূতি প্ৰকাশক। প্ৰেমৰ কোমলতা অনুভৱ নিগৰি পৰিছে মায়াব' আৰু ৰূপালীমৰ প্ৰেমালাপেৰে।

ৰূপালীম ঃ বাৰু মায়াব'ঙ্গ জোনটোৰে ইমানবোৰ পোহৰ দি থাকে, তাৰ পোহবোৰ বাৰু ঢুকাই নেযায় কিয়?

মায়াব' ঃ সি পৃথিৱীখন খুব ভাল পায় সেই গুণে। সেই পোহৰবোৰ জোনৰ মৰম। পৃথিৱীখনলৈ জোনৰ ইমান মৰম আছে— সি কেতিয়াও নুঢুকায়। বাৰু ৰূপালীম! তোমাৰো মোলৈ তিমান মৰম আছেনে?

প্ৰেম আৰু প্ৰতিহিংসাই *ৰূপালীম* নাটকখনক আচ্ছন্ন কৰি ৰাখিছে। নায়ক-নায়িকাৰ পাছতে প্ৰেমৰ দ্বাৰা উদ্বুদ্ধ হোৱা আনটো চৰিত্ৰ হ'ল মণিমুগ্ধ। এই চৰিত্ৰটিৰ

মনৰ অনুৰাগ প্ৰকাশ কৰিবলৈ নাট্যকাৰে যি ধৰণে সংলাপ প্ৰয়োগ কৰিছে সেই সংলাপ বহু পৰিমাণে কাব্যধৰ্মী আৰু সপোনসুৰীয়া হৈ পৰিছে।

মণিমুগ্ধ ঃ মই তোমাক ইয়াৰ পৰা লৈ যাম সৌ দূৰণিলৈ। সৌৱা নীলাকাশৰ পৰা তৰাৰ হীৰাফুলীয়া পোহৰবোৰ আহিছে—জোনৰ জোনাকে য'ত জোনোৱালী সপোনৰ ৰাজ্য পাতিছে—তালৈ আমি দুয়ো ওলাই যাও ব'লা। তুমি মোৰ কোলাত বহি তোমাৰ বুকুৰ মৰমৰ কথা ক'বা। মই কাণ-পাতি শুনিম মিলন পিয়াসী বুকুৰ কম্পন ৰূপালীম!

উদ্ধৃত উক্তিটো *ৰূপালীম*ৰ প্ৰধান চৰিত্ৰ মণিমুগ্ধই ফটিকাৰ আমেজ বা আবেশত ৰূপালীমক উদ্দেশ্য কৰি কৈছে। আৱেশ অৱস্থাত কোৱা কথা ভাৱপ্ৰৱণ হোৱাটো স্বাভাৱিক।

পূৰ্বতে উনুকিয়াই অহা হৈছে যে নাটকৰ সংলাপ চুটি আৰু ইয়াৰ ভাষা প্ৰাত্যহিক জীৱনৰ ভাষা হোৱা উচিত। ৰূপালীম আৰু মায়াব'ৰ প্ৰেমালাপৰ সংলাপ অত্যন্ত চুটি আৰু কোমলকান্ত।

মায়াব' ঃ তেন্তে মই আৰু পেঁপা নবজাও।

ৰূপালীম ঃ বজাবা মায়াব' — বাৰু মায়াব'! তুমি পেঁপাটোক কিমান মৰম কৰা?

ঠায়ে ঠায়ে অৰ্থঘন আৰু ৰসসিক্ত। উদাহৰণ স্বৰূপে—

মণিমুগ্ধ ঃ ইতিভেন, ইয়াৰ অৰ্থ

ইতিভেন ঃ অৰ্থ? অৰ্থ এই যে তুমি মোৰ দেশৰ কুমাৰীৰ সতীত্ব হৰণ কৰিছা।

মণিমুগ্ধ ঃ অ' সেই দেখি তুমি সতীত্ব ৰক্ষা কৰিবলৈ সৈন্য সামন্তেৰে লৰি আহিছা?


শেষৰ সংলাপ ফাকিত মণিমুগ্ধৰ শ্লেষ আৰু উষ্মা প্ৰকাশ পাইছে। তেওঁৰ বাকদত্তা ৰাজকুমাৰী ইতিভেনৰ আক্ৰমণ যে দেশৰ মান ৰক্ষা নহয়, ঈৰ্ষা নিৰ্বাপ্তি কৰাহে সেই কথাহে ইয়াত ব্যঞ্জিত হৈছে।

*ৰূপালীম* নাটকৰ সৰহভাগ চৰিত্ৰই সদ্য যৌৱনপ্ৰাপ্ত চৰিত্ৰ। সেইবাবে এনেবোৰ চৰিত্ৰৰ মুখ্যত ভাববাদী আৰু কল্পনাপ্ৰৱণ সংলাপ নিক্ষেপ কৰা হৈছে। মণিমুগ্ধই ৰূপালীমে মায়াব'ক তাই কিমান ভালপায় বুলি সোধোতে ৰূপালীমে হৃদয়াবেগৰ অতিশয্যাত কৈছিল — "মই ক'ব নোৱাৰোঁ। খুব ভালপাওঁ। গছত যিমান ফুল আছে, ডালত যিমান পাত আছে, নৈত যিমান পানী আছে, শূইনত যিমান বতাহ আছে, নিশাৰ আকাশত যিমান তৰা আছে সিমান।"

মায়াব' আৰু ৰূপালীমৰ দৰেই মণিমুগ্ধৰ মুখতো এনে অনেক কাব্যিক সংলাপ আছে। আনহাতে নিষ্ঠুৰ, স্বেচ্ছাচাৰী আৰু আভিজাত্যৰে পৰিপূৰ্ণ মণিমুগ্ধই হাতত ক্ষমতা থকা বাবেই নিজ ইচ্ছামতে এফালৰ পৰা সকলো মহতিয়াই গৈছে। সামন্ত প্ৰভুৰ বলেৰেই তেওঁ ৰূপালীমক 'জোনাকী কাৰেঙ'ৰ উপযুক্ত বুলি কৈ লোভ দেখুওৱাত বুঢ়া জুনাফা জাঙুৰ খাই উঠিছে। সেই মুহূৰ্তত নাট্যকাৰে তেওঁৰ মুখত বক্তৃতাধৰ্মী সংলাপ দিছে।

জুনাফা ঃ এনে কথাও মই শুনি থাকিবলগীয়া হ'ল ! এনে কথাও মই সহিব লাগিব। তই সকলো সহিব লাগিব। কিয় তোৰ শক্তি নাই? তই কিয় দুৰ্বল হৈ সংসাৰলৈ আহিছিলি? দুৰ্বলৰ কিহৰ মান-কিহৰ অপমান? অপমানেৰে-ক্ষোভেৰে-নিজৰ গাৰ প্ৰতি তেজ টোপালেৰে তই তোৰ দুৰ্বলতাক পুহিব লাগিব। এই পৃথিৱীৰ নৈ-সাগৰ-বন-উপবন-ভালৰো ভাল, সুন্দৰৰো সুন্দৰখিনি-ৰূপৰো ৰূপ-কাৰ ভোগ্য? বলীৰ শক্তিশালীৰ।

জুনাফাৰ মুখৰ এই প্ৰতিবাদী সংলাপত নিষ্পেষিত শ্ৰেণীটোৰ অসহায় অৱস্থা প্ৰকাশ পাইছে। সংলাপে চৰিত্ৰৰ সামাজিক স্তৰো নিৰ্দেশ কৰি দেখুৱায়। সেইবাবে সামাজিক স্থিতি অনুসৰি চৰিত্ৰৰ মুখত সংলাপ দিয়া হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** *ৰূপালীম* নাটকখন সংলাপৰ আধাৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ সংলাপ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক। (১৫০-৩০০টা শব্দৰ ভিতৰত)

......................................................................................................

......................................................................................................

......................................................................................................



**চিন্তা-চৰ্চা কৰক — ১০.২**


অধিক জানিবলৈ শাখাটোত উল্লেখ থকা কিতাপসমূহৰ সহায়েৰে জ্যোতিপ্ৰসাদৰ এইখন নাটকত সংঘাত, নাট্যোৎকণ্ঠা, বিস্ময় আদি দিশবোৰ কেনেদৰে ফুটাই তুলি সমাজখনক নাট্যকাৰে কি বক্তব্য প্ৰদান কৰিব বিচাৰিছে সেই বিষয়ে এটি টোকা প্ৰস্তুত কৰক।



## ১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত কৰা আলোচনাৰ পৰা এইটো গম পোৱা গ'ল যে জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটককেইখন নায়িকা প্ৰধান।
- তদুপৰি *শোণিত কুঁৱৰী*ৰ পৰা *লভিতা*লৈকে আটাইকেইখন নাটকৰ যোগেদি তেওঁ যেন এগৰাকী আদৰ্শ নাৰীৰ সন্ধানত ব্যস্ত আছিল— এই ধাৰণা আমাৰ মনলৈ আহে। *ৰূপালীম* নাটকো ইয়াৰ ব্যতিক্ৰম নহয়।

- তেওঁৰ নাটকৰ আন এটি গুৰুত্বপূৰ্ণ বিষয় হ'ল প্ৰেম। এই প্ৰেম ৰোমাণ্টিকতাৰ পাৰ ভাঙি কেতিয়াবা বাস্তৱানুগ হৈ পৰাও দেখা গৈছে। অৱশ্যে সকলো সময়তে যে প্ৰেমে সফলতা লাভ কৰিছে তেনেও নহয়।
- মঞ্চ নিৰ্দেশনা, চৰিত্ৰৰ মনৰ বিচিত্ৰতা, গীতৰ প্ৰাধান্য আদিয়ে তেওঁৰ নাটকক আন বহুতো নাট্যকাৰৰ নাটকতকৈ উচ্চ আসনত বহুৱাইছে। *ৰূপালীম* নাটকৰো মঞ্চ নিৰ্দেশনা বহুলাংশে কাব্যিক আৰু গীতিময়। গীতৰ ব্যৱহাৰেও নাটকখনৰ কেইবাটাও দৃশ্য কাব্যময় কৰি তুলিছে। উদাহৰণস্বৰূপে নাটকখনৰ প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু ষষ্ঠ অঙ্কৰ কথা ক'ব পাৰি।



## ১০.৫ অধিক জানিবলৈ

*অসমীয়া গ্ৰন্থ ঃ*

১) আগৰৱালা, জ্যোতিপ্ৰসাদ (২০০৯); *ৰূপালীম;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) গোস্বামী, প্ৰণতি শৰ্মা আৰু শৰ্মা, অনিল (সম্পাঃ) (১৯৯৯); *কুৰি শতিকাৰ কুৰিজন বিশিষ্ট অসমীয়া;* নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম।

৩) বৰুৱা, সত্য প্ৰসাদ (১৯৬৭); *নাটক আৰু অভিনয় প্ৰসঙ্গ;* গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল।

৪) বিশ্বাস, হেমাঙ্গ (১৯৮৩); *জীৱন শিল্পী জ্যোতিপ্ৰসাদ;* নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম।

৫) বৰুৱা, প্ৰফুল্ল কুমাৰ (১৯৮৩); *জ্যোতিপ্ৰসাদৰ নাটক;* গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

৬) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০৩); *জ্যোতি মনীষা;* গুৱাহাটী ঃ বনলতা।

৭) ভৰালী, শৈলেন (২০০৮); *অসমীয়া নাটক, স্বাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮) মহন্ত, পোনা (২০০৮); *নাটকৰ কথা;* ডিব্ৰুগড় ঃ কৌস্তুভ প্ৰকাশন।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯১); *অসমীয়া নাট্য-সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ


১০) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৬৩); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১১) ৰূপালীম সংস্কৃতি সন্থা (১৯৬৭); *জ্যাতিপ্ৰতিভা;* শ্বিলং ঃ ৰূপালীম সংস্কৃতি সন্থা।

১২) জ্যোতিপ্ৰসাদ জন্মশতবৰ্ষ উদ্‌যাপন সমিতি (২০০৩); *পোহৰলৈ জ্যোতিপ্ৰসাদ;* গুৱাহাটী ঃ জন্মশতবৰ্ষ উদ্‌যাপন সমিতি।

*ইংৰাজী গ্ৰন্থ ঃ*

১৩ Sharma Goswami, P. (2004). *Female Characters in Modern Assamese Drama*. New Delhi: B. R. Publication.



## ১০.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** *ৰূপালীম* নাটকখনৰ কাহিনীভাগ... ...নাট্যকাৰৰ বক্তব্য প্ৰধানত কি... ...প্ৰকাশ কৰিব বিচৰা মূল ব্যক্তব্য সৈতে প্ৰকাশভঙ্গীৰ সামঞ্জস্য... ...সেইবোৰৰ মাজেদি কেনেদৰে জ্যোতিপ্ৰসাদৰ সৃজনী প্ৰতিভা ফুটি উঠিছে...।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** *ৰূপালীম* নাটকখনৰ চৰিত্ৰসমূহ... ...প্ৰতিটো চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য... ...এটাৰ পৰা আনটো চৰিত্ৰ কেনেদৰে পৃথক... ...চৰিত্ৰৰ মনোজগতৰ বতৰা আছে নে নাই... ...ইত্যাদি বিষয়ে লিখি যুক্তিৰে প্ৰতিপন্ন কৰিব লাগিব।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** *ৰূপালীম* নাটকখনৰ সংলাপসমূহ শ্ৰেণী চৰিত্ৰ প্ৰকাশক হৈছেনে নাই... ...প্ৰতিটো চৰিত্ৰৰ সংলাপৰ মাজত বিচিত্ৰতা কেনেদৰে প্ৰকাশ পাইছে... ...সংলাপত প্ৰয়োগ কৰা ভাষা, শৈলী আদিৰ বিষয়ে আলোচনা কৰি যুক্তিসহকাৰে উদাহৰণ দি নিজৰ বক্তব্য প্ৰতিপাদন কৰিব লাগিব।



## ১০.৭ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** কাল্পনিক নাটক হিচাপে *ৰূপালীম* নাটকখন বিচাৰ কৰক।

**প্ৰশ্ন ২ ঃ** *ৰূপালীম* নাটকখনত আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে দেখুৱাবলৈ প্ৰয়াস পোৱা হৈছে— আলোচনা কৰা।

**প্ৰশ্ন ৩ ঃ** *ৰূপালীম* নাটকৰ সংলাপ চৰিত্ৰৰ মনৰ ভাবব্যঞ্জক— এইবিষয়ে এটি আলোচনা যুগুত কৰক। চৰিত্ৰ চিত্ৰণ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

**প্ৰশ্ন ৪ ঃ** জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নায়িকাপ্ৰধান নাটককেইখনত নাৰীৰ মনোজগতৰ ওপৰত কি দৰে আলোকপাত কৰিছে?

**প্ৰশ্ন ৫ ঃ** জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকসমূহ কাব্যিক গুণেৰে সমৃদ্ধ— কথাষাৰ আলোচনা কৰক।

**প্ৰশ্ন ৬ ঃ** জ্যোতিপ্ৰসাদক ৰূপান্তৰৰ শিল্পী বোলা হয়। *ৰূপালীম* নাটকখন পঢ়ি এই কথাৰ সত্যতা উপলব্ধি কৰা যায়নে? বুজাই লিখক।

*** ***** ***